NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date : 19-**11-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

১।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰিঅ' ডি জেনেৰ'ত অনুষ্ঠিত জি-২০ শীৰ্ষ সন্মিলনৰ সুযোগতে ব্ৰাজিলৰ ৰাষ্ট্ৰপতি লুলা ডা ছিলভাক সাক্ষাৎ কৰে।

২।	মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ড বিধানসভাৰ নিৰ্বাচনৰ কাইলৈ হ'বলগীয়া ভোটগ্ৰহণৰ সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈছে।

৩।	সংবিধান প্ৰদত্ত আমাৰ অধিকাৰ আৰু কৰ্তব্যৰ প্ৰতি সজাগতা সৃষ্টি কৰাই আমাৰ সংবিধান আমাৰ সন্মান কাৰ্যসূচীৰ মূল উদ্দেশ্য বুলি কেন্দ্ৰীয় আইন আৰু ন্যায় ৰাজ্য মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে প্ৰকাশ কৰিছে।

৪।	কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে বহনক্ষম আৰু লাভজনক কৃষি তথা সকলোৰে বাবে খাদ্য সুৰক্ষা সুনিশ্চিত কৰিবলৈ চৰকাৰ বদ্ধপৰিকৰ বুলি মন্তব্য কৰিছে।

*আৰু*

৫।	ভাৰতে মহিলাৰ এছিয়ান চেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰিঅ' ডি জেনেৰ'ত অনুষ্ঠিত জি-২০ শীৰ্ষ সন্মিলনৰ সুযোগতে ব্ৰাজিলৰ ৰাষ্ট্ৰপতি লুলা ডা ছিলভাক সাক্ষাৎ কৰে। বৈঠকত দুয়োগৰাকী নেতাই শক্তি, জৈৱ ইন্ধন, প্ৰতিৰক্ষা আৰু কৃষিকে ধৰি বিভিন্ন ক্ষেত্ৰত সহযোগিতা সুদৃঢ় কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধতা প্ৰকাশ কৰে। শ্ৰী মোদীয়ে জি-২০ অধ্যক্ষতাৰ সময়ত গ্ৰহণ কৰা বিভিন্ন প্ৰচেষ্টাৰ বাবে ৰাষ্ট্ৰপতিগৰাকীক প্ৰশংসা কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে কয়, যে বৈঠকত তেওঁলোকে ভাৰত আৰু ব্ৰাজিলৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কৰ আটাইবোৰ দিশৰ পৰ্যালোচনা চলায়।

০০০০০০০০

মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ড বিধানসভাৰ নিৰ্বাচনৰ কাইলৈ হ'বলগীয়া ভোটগ্ৰহণৰ সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈছে। ইয়াৰ লগতে নাণ্ডেড় লোকসভা সমষ্টিৰ বাবে উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। পাঞ্জাব, উত্তৰ প্ৰদেশ, কেৰালা আৰু উত্তৰাখণ্ডৰ ১৫টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবেও কাইলৈ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। মহাৰাষ্ট্ৰৰ ২৮৮টা বিধানসভা সমষ্টিৰ বাবে মুঠ ৪ হাজাৰ ১৩৬ গৰাকী প্ৰতিদ্বন্দ্বী নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হৈছে। ইয়াৰ ভিতৰত ২ হাজাৰ ৮৬ গৰাকী নিৰ্দলীয় প্ৰাৰ্থী আছে। বিজেপিয়ে ১৪৯টা সমষ্টিত, শিৱসেনাৰ একনাথ সিন্দে গোটে ৮১টা সমষ্টিত আৰু এন চি পিৰ অজিত পাৱাৰ গোটে ৫৯টা সমষ্টিত প্ৰাৰ্থী দিছে। আনহাতে কংগ্ৰেছে ১০১টা সমষ্টিত, উদ্ধৱ থাকৰে নেতৃত্বাধীন শিৱসেনাই ৯৫টা সমষ্টিত আৰু এন চি পিৰ শাৰদ পাৱাৰ গোটে ৮৬টা সমষ্টিত প্ৰাৰ্থী ঠিয় কৰাইছে। বহুজন সমাজ পাৰ্টিৰ ২৩৭ গৰাকী আৰু এ আই এম আই এমৰ ১৭ জন প্ৰাৰ্থীৰ ভাগ্যও কাইলৈৰ ভোটগ্ৰহণত নিশ্চিত

হ'ব। মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনত কাইলৈ ভোটদানৰ হাৰ পূৰ্বৰ তুলনাত উন্নত হ'ব নে নাই সেই বিষয়ে ৰাজনৈতিক মহলত চিন্তা-চৰ্চা চলিছে।

ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ত কাইলৈ ১২ খন জিলাৰ ৩৮টা সমষ্টিত ভোগ্ৰহণ কৰা হ'ব। এই পৰ্যায়ত এক কোটি ২৩ লাখতকৈও অধিক ভোটদাতাই ৫৫ গৰাকী মহিলাকে ধৰি মুঠ ৫২৮ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। এই পৰ্যায়ত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা উল্লেখযোগ্য প্ৰাৰ্থীসকলৰ ভিতৰত হেমন্ত চোৰেন, বিজেপিৰ ৰাজ্যিক সভাপতি বাবুলাল মাৰাণ্ডি, অধ্যক্ষৰবীন্দ্ৰ নাথ মাহটো, বিধানসভাত বিৰোধী পক্ষৰ নেতা অমৰনাথ কুমাৰ বৌৰি, এ জে এছ্ ইউৰ সভাপতি সুদেশ কুমাৰ মাহটো, ৰাজ্যিক মন্ত্ৰী ইৰফান আনচাৰি, হাফিজুল হাচান, দীপিকা পাণ্ডে সিং আৰু কল্পনা চোৰেণ অন্যতম। দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰিবলৈ ১৪ হাজাৰ ২১৮টা ভোটগ্ৰহণ কেন্দ্ৰৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ ভিতৰত ৭ হাজাৰ কেন্দ্ৰক স্পৰ্শকাতৰ বুলি চিনাক্ত কৰা হৈছে। নিৰ্বাচন নিকা আৰু শান্তিপূৰ্ণভাৱে সম্পন্ন কৰাৰ বাবে ৰাজ্যখনৰ স্পৰ্শকাতৰ এলেকাসমূহত কেন্দ্ৰীয় অৰ্ধসামৰিক বাহিনীৰ ৬০০ টা কোম্পানী নিয়োগ কৰা হৈছে। সুৰক্ষা জড়িত কাৰণত ঝাৰখণ্ডৰ নক্সাল অধ্যুষিত ৩১টা সমষ্টিত বিয়লি ৪ বজালৈকে ভোটগ্ৰহণ কৰা হ'ব। দ্বিতীয় পৰ্য্যায়ৰ নিৰ্বাচন এন ডি এ আৰু আই এন ডি আই উভয় মিত্ৰজোটৰ বাবে গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। ২০১৯ বৰ্ষৰ বিধানসভা নিৰ্বাচনত এই ৩৮ খন আসনৰ ভিতৰত ঝাৰখণ্ড মুক্তি মৰ্চাই ১৩ খন, বিজেপিয়ে ১২ খন, কংগ্ৰেছে ৮ খন আৰু চি পি আইয়ে এখন আসন দখল কৰিছিল। ২৩ নৱেম্বৰত ভোটগণনা কৰা হ'ব।

০০০০০০০০

সংবিধান প্ৰদত্ত আমাৰ অধিকাৰ আৰু কৰ্তব্যৰ প্ৰতি সজাগতা সৃষ্টি কৰাই বছৰজোৰা আমাৰ সংবিধান আমাৰ সন্মান কাৰ্যসূচীৰ মূল উদ্দেশ্য বুলি কেন্দ্ৰীয় আইন আৰু ন্যায় ৰাজ্য মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে প্ৰকাশ কৰিছে। আজি ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠান গুৱাহাটীত অনুষ্ঠিত এই কাৰ্যসূচীত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে নতুন প্ৰজন্মৰ অধিকাংশই আমাৰ সংবিধানৰ খচৰা কোনে প্ৰস্তুত কৰিছিল সেই বিষয়ে অজ্ঞ বুলি দুখ প্ৰকাশ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে আমাৰ মৌলিক অধিকাৰ আৰু মৌলিক কৰ্তব্যৰ মাজত যোগসূত্ৰ আছে বুলি উল্লেখ কৰি কয়, যে আমি সকলোৱে ৰাষ্ট্ৰৰ প্ৰতি থকা কৰ্তব্য পালন কৰিলেহে আমাৰ সাংবিধানিক অধিকাৰৰ ন্যায্যতা প্ৰতিপন্ন কৰিব পৰা যাব। সংবিধানৰ খচৰা প্ৰস্তুত কৰা সকলৰ ভিতৰত সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলকে প্ৰতিনিধিত্ব কৰা ছৈয়দ মহম্মদ ছাদ্দুলাৰ বিষয়েও আমি অৱগত নহয় বুলি তেওঁ কয়। সংবিধান গৃহীত হোৱাৰ ৭৫ বছৰীয়া জয়ন্তী উপলক্ষে সংবিধান প্ৰনয়নত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা সংবিধান সভাৰ ১৫ গৰাকী মহিলা সদস্যৰ সন্মানাৰ্থে গছপুলি ৰোপণ কৰি এই অনুষ্ঠানৰ পাতনি মেলা হয়।

০০০০০০০০

কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে বহনক্ষম আৰু লাভজনক কৃষি তথা সকলোৱে বাবে খাদ্য সুৰক্ষা সুনিশ্চিত কৰিবলৈ চৰকাৰ বদ্ধপৰিকৰ বুলি প্ৰকাশ কৰিছে। নতুন দিল্লীত অনুষ্ঠিত গোলকীয় ভূমি সন্মিলন ২০২৪ সম্বোধন কৰি মন্ত্ৰীগৰাকীয়ে আজি এইদৰে মন্তব্য প্ৰকাশ কৰে। শ্ৰী চৌহানে কয়, যে ভূমি স্বাস্থ্য সম্প্ৰতি গোলকীয় চিন্তাৰ বিষয় হৈ পৰিছে। তেওঁ কয়, যে প্ৰায় ৩০ শতাংশ ভূমিৰ মান অৱনমিত হৈছে আৰু অতিমাত্ৰা ৰসায়নিক সাৰৰ ব্যৱহাৰৰ বৰে ভূমিৰ ক্ষতি-সাধন হৈছে। চৰকাৰে দেশত জৈৱিক কৃষিৰ প্ৰসাৰৰ বাবে কাম কৰি

আছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে ছাত্ৰী আৰু গৱেষকসকল স্থানীয় আৰু গোলকীয় পৰ্যায়ৰ ভূমি প্ৰত্যাহ্বান দূৰ কৰিব পৰা উদ্ভাৱন বিকশাই তোলাত অগ্ৰণী ভূমিকা পালন কৰা উচিত। তেওঁ লগতে শিক্ষা, উৎসাহ আৰু আধুনিক বৈজ্ঞানিক তথ্যৰ মাধ্যমেৰে খেতিয়কসকলক সবল কৰি তুলিবলৈ আহ্বান জনায়।

০০০০০০০০

দিল্লী চৰকাৰে ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰ দিল্লীৰ ভয়াবহ বায়ু প্ৰদুষণ সমস্যাৰ সমাধানৰ বাবে ক্লাউড চিডিং প্ৰযুক্তিৰ সহায়েৰে কৃত্ৰিম বৰষুণৰ অনুমতি প্ৰদান কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ প্ৰতি আহ্বান জনাইছে। দিল্লীৰ পৰিৱেশ মন্ত্ৰী গোপাল ৰায়ে বায়ু প্ৰদুষণ সন্দৰ্ভত এখন জৰুৰীকালীন বৈঠক আহ্বান কৰিবলৈ অনুৰোধ জনাই কেন্দ্ৰীয় পৰিৱেশ মন্ত্ৰী ভূপেন্দ্ৰ যাদৱলৈ এখন পত্ৰ প্ৰেৰণ কৰিছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীৰায়ে কয়, যে বিষয়টো লৈ বিশেষজ্ঞৰ সৈতে আলোচনা কৰা হৈছে আৰু ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰ দিল্লীৰ বায়ুৰ মান উন্নত কৰিবলৈ আৰু ধোঁৱা মিহলি কুঁৱলী আঁতৰ কৰিবলৈ কৃত্ৰিম বৰষুণৰ সহায় লোৱাৰ সময় আহি পৰিছে।

ইপিনে, ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীৰ বায়ুৰ গুণগত মান এতিয়াও শোচনীয় হৈ আছে। কেন্দ্ৰীয় প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদে প্ৰকাশ কৰা মতে দিনৰ ১ বজাত ৰাষ্ট্ৰীয় ৰাজধানীত বায়ুৰ গুণগত মান এ কিউ আই সূচ্যাংক ৪৭৩ পোৱা গৈছে। কেন্দ্ৰীয় প্ৰদুষণ নিয়ন্ত্ৰণ পৰিষদৰ তথ্য অনুসৰি আনন্দ বিহাৰত এ কিউ আই ৪৮৯, বৱানাত ৪৮৩, জে এল এন ষ্টেডিয়ামত ৪৬১ আৰু আৰ কে পুৰমত ৪৬৮ পোৱা গৈছে।

আনহাতে, দিল্লীত বায়ুৰ মানৰ অৱনতি ঘটাৰ বাবে আজিৰ পৰা দিল্লী, গাজিয়াবাদ আৰু নয়দাৰ বিদ্যালয়সমূহত পাঠদান আৰম্ভ কৰা হৈছে। পৰৱৰ্তী জাননী জাৰি নকৰা পৰ্য্যন্ত অনলাইন পাঠ্যক্ৰম অব্যাহত থাকিব। দিল্লী বিশ্ববিদ্যালয়, জামিয়া মিলিয়া ইছলামিয়া আদিৰ দৰে বিশ্ববিদ্যালয়সমূহত শনিবাৰলৈকে আৰু জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ত শুকুৰবাৰলৈকে অনলাইন পাঠদান অব্যাহত থাকিব।

০০০০০০০০

চৰকাৰে সংসদৰ শীতকালীন অধিৱেশনৰ পূৰ্বে ২৪ নবেম্বৰত এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে। বৈঠকত চৰকাৰে শীতকালীন অধিৱেশনৰ সময়ছোৱাত লোকসভা আৰু ৰাজ্যসভাৰ কাম-কাজ সুচাৰুৰূপে চলাই নিয়াত সকলো ৰাজনৈতিক দলৰ সহায়-সহযোগিতা কামনা কৰিব। সংসদৰ শীতকালীন অধিৱেশন ২৫ নবেম্বৰৰ পৰা ২০ ডিচেম্বৰলৈ অনুষ্ঠিত হ'ব।

০০০০০০০০

ভাৰতে মহিলাৰ এছিয়ান চেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। ভাৰতে আজি বিহাৰৰ ৰাজগিৰ হকী ষ্টেডিয়ামত অনুষ্ঠিত কোৱাৰ্টাৰ ফাইনেলত জাপানক ২-০ গলত পৰাস্ত কৰে।

ইয়াৰ পূৰ্বে চীনে মালয়েছিয়াক ৩-১ গলত পৰাস্ত কৰি ছেমি ফাইনেলত স্থান নিশ্চিত কৰে। মালয়েছিয়া কাইলৈ দিনৰ দুই বাজি ১৫ মিনিটত ব্ৰঞ্জৰ পদকৰ খেলত জাপানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০০

সমাপ্ত